যিয়ে মোৰ নামেৰে হাদীছ বৰ্ণনা কৰে, অথচ সি জানে যে, সেইটো মিছা, তেন্তে সিও হৈছে এজন মিছলীয়া।

ছামুৰাহ বিন জুনদাব আৰু মুগীৰাহ বিন শ্বুবাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ দ্বাৰা
বৰ্ণিত, তেওঁলোক উভয়ে কৈছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে মোৰ নামেৰে হাদীছ বৰ্ণনা কৰে, অথচ সি জানে যে, সেইটো মিছা, তেন্তে সিও হৈছে
এজন মিছলীয়া।"
[رواه مسلم في مقدمته] [ছহীহ[

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে তেওঁৰ নামত এনেকুৱা হাদীছ প্ৰচাৰ কৰে যিটো সম্পৰ্কে সি জানে অথবা তাৰ ধাৰণা আছে নাইবা সি নিশ্চিত যে সেইটো তেখেতৰ নামত মিছা প্ৰচাৰ কৰা হৈছে, তেন্তে বৰ্ণনাকাৰী আৰু প্ৰচাৰকাৰীও মিছলীয়া বুলি গণ্য হ'ব।

http://www.sunnah.global/hadeeth/as/show/6982